**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন। উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষকলৈ ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা।
২। তেজপুৰ বিশ্ববিদ্যালয়ত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী। ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীলৈ ৰাজ্যিক কৃতী শিক্ষক বঁটা।
৩। গুৱাহাটীৰ উন্মুক্ত MANHOLE আৰু নলাৰ উপগ্ৰহৰে জৰীপ চলাই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।
৪। বিটিচি নিৰ্বাচনৰ বাবে ৪০ সমষ্টিত ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা। কাইলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। **আৰু**
৫। চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানিক ৰেংকিঙত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৱম স্থান দখল।

০০০০০০

সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন কৰা হৈছে। শিক্ষাবিদ, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ডং সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰিব। নিজৰ সমৰ্পণ আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে শিক্ষাৰ মান উন্নত কৰা আৰু শিক্ষাৰ্থীসকলৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স্বীকৃতি স্বৰূপে এই বাৰ্ষিক বঁটা প্ৰদান কৰা হয়।  এইবাৰ দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হ'ব। ইয়াৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষক আছে। অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা অঞ্চল নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষে এই সন্মানীয় কৃতী শিক্ষক বঁটাৰ বাবে বাছনি লাভ কৰিছে।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত আজি ৰাজ্যিক কৃতী শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। এই অনুষ্ঠানতে NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলক সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি শিক্ষা সেতু এপত সৰ্বাধিক উপস্থিতি দিবলৈ সক্ষম হোৱা শীৰ্ষ তিনিখন জিলা, শিক্ষা সেতু এপত বিভিন্ন জিলাৰ উপস্থিতিৰ শীৰ্ষত থকা বিদ্যালয়সমূহৰ মুৰববী আৰু মহাবিদ্যালয় তথা পলিটেকনিকৰ পেটেণ্ট লাভ কৰা শিক্ষকসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হ'ব।

শিক্ষক দিৱসৰ পৱিত্ৰ দিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিদ্বান, মনিষী তথা শিক্ষাবিদ ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ লগতে প্ৰতিগৰাকী শিক্ষাগুৰুক শিক্ষক দিৱসৰ ওলগ জনায়।

০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ সকলো উন্মুক্ত MANHOLE আৰু নলাৰ উপগ্ৰহৰে জৰীপ চলাবলৈ আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিছে। গুৱাহাটীৰ আৰ্য নগৰত বুধবাৰে

নিৰ্মীয়মান উন্মুক্ত নলাত পৰি এটি তিনি বছৰীয়া শিশুৰ মৃত্যু হোৱাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এইদৰে নিৰ্দেশ দিয়ে। ঢেকীয়াজুলিত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ডঃ শৰ্মাই নলা উন্মুক্ত কৰি ৰখাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। তেওঁ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত নলাৰ ঢাকোন লগাই যোৱাৰ পাছতে চুৰি হৈ যায় বুলি মন্তব্য কৰে। সকলোৱে লগ লাগি সমস্যা সমাধান কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শোণিতপুৰ জিলাৰ ডুৰুং চাহ বাগিচাত ৰূপায়ণ কৰা চাহ পৰ্যটন আন্তঃগাঁথনি প্ৰচাৰ আৰু বিকাশ প্ৰকল্পৰ শুভাৰম্ভ কৰে। চাহ বাগিচাসমূহক পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে বাগিচাৰ বাংলোসমূহক অতিথিশালালৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ বাবে বিনিয়োগকাৰী তথা বিলাসী হোটেলৰ গোটসমূহক উদগণি যোগোৱাৰ বাবে নীতি প্ৰস্তুত কৰা হৈছে। ৰাজ্য চৰকাৰৰ এনে পদক্ষেপৰ অংশ হিচাপে ডুৰুং চাহ বাগিচাৰ পুৰণি বাংলো আৰু অতিৰিক্ত ভূমিত **দা পোষ্টকাৰ্ড হোটেল** মুকলি কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এই হোটেল আৰু ইয়াৰ চৌহদ পৰিদৰ্শন কৰে। ড০ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এই হোটেলে অসমৰ চাহ পৰ্যটনৰ ক্ষেত্ৰত বাটকটীয়াৰ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

**(বাইটঃ চি এম)**

উল্লেখযোগ্য যে এনে প্ৰকল্পই চাহ বাগিচাৰ ঐতিহ্য, সেউজ পৰিৱেশ, বাগিচাৰ শ্ৰমিকসকলৰ সহজ-সৰল জীৱনযাত্ৰাক বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ লগতে অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুযোগ সৃষ্টি, কুটিৰ শিল্পৰ বিকাশ আৰু থলুৱা সংস্কৃতিৰ প্ৰসাৰতো যোগাব বুলি আশা কৰা হৈছে।

০০০০০০

বিটিচি নিৰ্বাচনৰ বাবে ৪০টা সমষ্টিত ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ ঘোষণা কৰা হৈছে। চিৰাং জিলাৰ তিনিটা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰসমূহ কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা কৰা হয়। পৰীক্ষাৰ অন্তত জিলাখনৰ চিৰাং দুৱাৰ সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰাৰ্থিত্ব প্ৰদান কৰা চাংগ্ৰা ব্ৰহ্মৰ মনোনয়ন পত্ৰ নাকচ কৰে। ইউ পি পি এল দলৰ প্ৰাক্তন সাধাৰণ সম্পাদক চাংগ্ৰা ব্ৰহ্মাই দলৰ হৈ প্ৰাৰ্থিত্ব নোপোৱাত নিৰ্দলীয় প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰিছিল। জিলাখনত বৰ্তমানলৈ চিৰাং আৰু চিৰাং দুৱাৰ সমষ্টিত ৭ জন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ হোৱাৰ লগতে কাজলগাঁও সমষ্টিত ৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ হিচাপে বিবেচিত হৈছে।

খৈৰাবাৰীত মুঠ ৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ ঘোষণা কৰা হৈছে। একেদৰে ভেৰগাঁও জনজাতি সংৰক্ষিত পৰিষদীয় সমষ্টিত ৯ গৰাকী, ননৈ চেৰফাং অ-জনজাতি সংৰক্ষিত সমষ্টিত ৬ গৰাকী, খালিং দুৱাৰ জনজাতি সংৰক্ষিত সমষ্টিত ৭ গৰাকী, মুদৈবাৰী সমষ্টিত ১০ গৰাকী, হৰিশিঙা জনজাতি সংৰক্ষিত সমষ্টিত ৫ গৰাকী, ধনশিৰি জনজাতি সংৰক্ষিত সমষ্টিত ৬ গৰাকী, ভৈৰৱকুণ্ড জনজাতি সমষ্টিত ৮ গৰাকী, পাঁচনৈ ছেৰফাং অ-জনজাতি সংৰক্ষিত সমষ্টিত ৭ গৰাকী আৰু ৰৌতা জনজাতি সংৰক্ষিত সমষ্টিত ৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ হৈছে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ ৫টা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰা মুঠ ৫৯ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৫৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা কৰা হৈছে।

উল্লেখযোগ্য যে বিটিচি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ে শিক্ষা মন্ত্ৰালয়ে কালি ঘোষণা কৰা  চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰাতিষ্ঠানিক ৰেংকিং এন আই আৰ এফত দেশৰ শীৰ্ষৰ ১০ খন ৰাজ্যিক চৰকাৰী বিশ্ববিদ্যালয়ৰ ভিতৰত নৱম স্থান দখল কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই ৰেংকিঙত কলকাতাৰ যাদৱপুৰ বিশ্ববিদ্যালয়ে শীৰ্ষ স্থান আৰু চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ে

দ্বিতীয় স্থান দখল কৰে। চণ্ডীগড়ৰ পাঞ্জাৱ বিশ্ববিদ্যালয়ে তৃতীয় স্থান লাভ কৰে। ইপিনে, আই আই টি, গুৱাহাটীয়ে গৱেষণা প্ৰতিষ্ঠান আৰু অভিযান্ত্ৰিক শিক্ষানুষ্ঠানৰ তালিকাত ক্ৰমে দশম আৰু অষ্টম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। একেদৰে যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে কৃষি শিক্ষানুষ্ঠানৰ তালিকাত অষ্টাদশ স্থান লাভ কৰিছে। এন আই আৰ এফ ৰেংকিঙে পাঠদান, শিক্ষণ সম্পদ গৱেষণা আৰু পেছাদাৰী পদ্ধতি, স্নাতক ডিগ্ৰীৰ ফলাফল, প্ৰসাৰ, নামভৰ্তি আদি বিভিন্ন দিশ চালি-জাৰি চাই শিক্ষানুষ্ঠানসমূহৰ মূল্যায়ন কৰে।

oooooo

দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি বৰাকত উপস্থিত হৈ বদৰপুৰ থানাত শ্ৰীভূমি আৰু হাইলাকান্দি জিলা আৰক্ষীৰ যৌথ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। সঞ্চালক প্ৰধানগৰাকীয়ে জিলাদুখনৰ আৰক্ষী জোৱানক কাৰ্যক্ষমতা আৰু বিভিন্ন সমস্যাৰ বিষয়ে বুজ লোৱাৰ লগতে জিলা দুখনৰ অপৰাধ আৰু নিৰাপত্তাজনিত বিষয়ৰ সন্দৰ্ভতো আলোচনা কৰে। অসম আৰক্ষী জনসেৱা আৰু সুৰক্ষাৰ স্বাৰ্থত সক্ষম বুলি সভাৰ অন্তত তেওঁ প্ৰকাশ কৰে।

## বাইট (হৰমিত সিং)

আৰক্ষীৰ সঞ্চালক প্ৰধানগৰাকীয়ে আজি কাছাৰ জিলাত আৰক্ষীৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ ল'ব।

oooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

oooooo

অবৈধ বিদেশী উৎখাতৰ দাবীত কালি ৰাজ্যজুৰি আছুৰ অনশন, উন্মুক্ত নলা-নৰ্দমাৰ উপগ্ৰহৰে জৰীপ চলোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ, নেলকো আৰু সৰ্বশিক্ষা অসমৰ মাজত দক্ষতা বিকাশৰ বাবে বুজাবুজিৰ চুক্তি সম্পাদন আৰু মুখ্যমন্ত্ৰীয়ে ১০ অক্টোবৰত ৮-৯ হাজাৰ শিক্ষকক নিযুক্তি দিয়া হ'ব বুলি কৰা ঘোষণাই আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে আছু, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কৃষক সংগ্ৰাম সমিতিকে ধৰি বিভিন্ন জাতীয়-জনগোষ্ঠীয় সংগঠনে অসমক কা আইনৰ আওতাৰ বাহিৰত ৰখাৰ দাবীত কালি ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ বাতৰিক 'জাতিৰ অস্তিত্ব ৰক্ষাৰ দাবীত দল-সংগঠনৰ বিক্ষোভত পুনৰ উত্তাল ৰাজ্য' শিৰোনামেৰে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিয়ে প্ৰায় আটাইকেইখন কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে। **দৈনিক অসম** কাকতে শাসকীয় পক্ষৰ দুজনকৈ বিধায়কে দল ত্যাগ কৰাৰ পাছত বিজেপি আৰু অগপৰ ভিতৰচ'ৰাত হাহাকাৰ লাগিছে বুলি এটা বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শোণিতপুৰৰ ৰঙাপৰাত কালি সামুহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন কৰাৰ বাতৰি আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে 'উৎসৱৰ উপহাৰ মধ্যবিত্তক স্বস্তি' শিৰোনামেৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বুধবাৰে ঘোষণা কৰা জি এছ টিৰ নতুন কাঠামোৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে ৰাজ্যৰ বিদ্যালয়সমূহত দক্ষতা শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বাবে টাটা নেলক' আৰু সমগ্ৰ শিক্ষা অসমৰ মাজত বুজাবুজিৰ চুক্তি সম্পাদন হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্য চৰকাৰে ৩২ লাখ মহিলাক লাখপতি

বাইদেউলৈ উন্নীত কৰাৰ বাবে প্ৰচেষ্টা চলাইছে বুলি **অসমীয়া খবৰ** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে ফেচন জগতৰ মুকুটবিহীন সম্ৰাট জৰ্জিঅ' আৰ্মানীৰ বিয়োগৰ বাতৰি আলোকচিত্ৰসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ইটানগৰত অনুষ্ঠিত অসামৰিক বিমান পৰিবহণ বিষয়ক উত্তৰ-পূৰ্বাঞ্চলৰ মন্ত্ৰীসকলৰ সন্মিলনৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোত ২০১৪-১৫ বৰ্ষৰেপৰা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে বাজেটত আবণ্টিত ধন ১৫৩ শতাংশ বৃদ্ধি পোৱা বুলি উল্লেখ কৰা হৈছে। **দা ছেণ্টিনেল** কাকতে দেশৰ বিভিন্ন অংশৰ থানাসমূহত কাৰ্যক্ষম চি চি টি ভি কেমেৰাৰ অভাৱ সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত